# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 08-01-2026

**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত গুৱাহাটীত অহা ১৭ জানুৱাৰীত ১০ হাজাৰ শিল্পীয়ে একেলগে বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব। এই উদ্দেশ্যে তামুলপুৰ জিলাৰ তামুলপুৰ আৰু গোৰেশ্বৰ দুয়োটা বিধানসভা সমষ্টিত আজিৰে পৰা বাগৰুম্বা নৃত্যৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। তামুলপুৰ বিধানসভা সমষ্টিৰ বাবে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ বাবে বেঙেনাহাতী সত্ৰ খেলপথাৰত এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। আজি পুৱা তামুলপুৰ জিলাৰ নৱ নিযুক্ত জিলা আয়ুক্ত চিমি কৰনৰ উপস্থিতিত বিধায়ক জলেন দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। তামুলপুৰ জিলাৰ ৭৭৮ গৰাকী অংশগ্ৰহণকাৰীয়ে অহা ১০ জানুৱাৰীলৈ প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

একেদৰে বিশ্বনাথ জিলাতো বাগৰুম্বা নৃত্যৰ তিনি দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আজি আৰম্ভ হয়। জিলাখনৰ শিৰৰাম বড়ো হাইস্কুল প্ৰাংগণত  অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচী আজি বিধায়ক প্ৰমোদ বৰঠাকুৰে উদ্বোধন কৰে।

০০০০০০০

সৌৰজগতৰ বৃহত্তম গ্ৰহ বৃহস্পতিয়ে কাইলৈ পৃথিৱীৰ সবাতোকৈ ওচৰত অৱস্থান কৰিব। এই পৰিঘটনা গুৱাহাটী তাৰকাগৃহই দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত চোৱাৰ বাবে দৰ্শনীৰ ব্যৱস্থা কৰিছে। কাইলৈ পৰা ১২ জানুৱাৰীলৈ প্ৰতি সন্ধিয়া চাৰে ৫ বজাৰ পৰা সাত বজালৈ এই দৰ্শনীৰ ব্যৱস্থা থাকিব। গুৱাহাটী তাৰকাগৃহৰ জ্যোতিৰ্বিজ্ঞানী বাবুল চন্দ্ৰ বৰাই  এই কথা সদৰী কৰি কয়, যে এই পৰিঘটনা প্ৰতি ১৩ মাহৰ অন্তৰালত সংঘটিত হয় আৰু এই সময়ছোৱাত গ্ৰহটো সন্ধিয়াৰ পূব আকাশত খালী চকুৰে অতি স্পষ্টৰূপত দেখা যায়।

০০০০০০০

দিব্যাংগসকলৰ অধিকাৰ আইন-২০১৬ সন্দৰ্ভত কোকৰাঝাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি এটা সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। অসম দিব্যাংগ আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত কোকৰাঝাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সহযোগত আয়োজন কৰা এই কাৰ্যসূচীত দিব্যাংগ আয়ুক্ত সুষমা হাজৰিকা, শিশু বিকাশ প্ৰকল্প বিষয়াকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। এই কাৰ্যসূচীত দিব্যাংগ লোকসকলৰ সম অধিকাৰ, মৰ্যাদা আৰু সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত এই বিভাগসমূহৰ সামূহিক দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰা হয়। অনুষ্ঠানত সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ দিব্যাংগ সৱলীকৰণ বিভাগৰ বিষয়া ৰাজীৱ ভৰদ্বাজ সমল ব্যক্তি হিচাপে উপস্থিত থাকে। শ্ৰীভৰদ্বাজে দিব্যাগ অধিকাৰ আইন-২০১৬ৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে ব্যাখ্যা কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ পাটসাঁকোত যোৱা ৬ জানুৱাৰীৰ পৰা অনুষ্ঠিত পাটসাঁকো গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব। গ্ৰন্থমেলাৰ আজি অন্তিম দিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ ৰমেশ চন্দ্ৰ বৰপাত্ৰগোহাঁইক তেওঁৰ শৈক্ষিক আৰু বৌদ্ধিক অৱদানৰ স্বীকৃতিস্বৰূপে ২০২৬ বৰ্ষৰ স্বৰ্গদেউ ছুহুংমুং বঁটা প্ৰদান কৰা হয়। সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ পাটসাঁকো আঞ্চলিক সমিতি আৰু কেইবাটাও সামাজিক সংগঠনৰ যুটীয়া প্ৰচেষ্টাত আয়োজন কৰা গ্ৰন্থমেলাত গ্ৰন্থপ্ৰেমীৰ পৰা সঁহাৰি লাভ কৰা বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ চিৰাং জিলাৰ উদ্যোগত আৰু চিৰাং গ্ৰামোন্নয়ন বিভাগৰ সহযোগত জিলাখনত অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। আজি আৰম্ভ হোৱা এই ভোগালী মেলাত বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই মুকলি কৰে। জিলাখনৰ ছিডলী-চিৰাং আৰু বড়ো বজাৰ খণ্ড উন্নয়ন এলেকাৰ মুঠ ৩১ টা আত্মসহায়ক গোটৰ সদস্যা সকলে হস্তনিৰ্মিত বিভিন্ন সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰিছে। তিনি দিনীয়াকৈ আয়োজন কৰা এই মেলাই গ্ৰাম্য মহিলাসকলক আৰ্থিকভাৱে সহায় কৰিব বুলি চিৰাঙৰ জিলা আয়ুক্ত যতীন বৰাই মন্তব্য কৰে।

০০০০০০০

ধেমাজি জিলাক স্বাৱলম্বী ৰূপ দিয়াৰ উদ্দেশ্যে জিলা প্ৰশাসন, ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ আৰু আত্মনিৰ্ভৰ ধেমাজি সমিতিৰ উদ্যোগত কাইলৈৰ পৰা ১২ জানুৱাৰীলৈ ধেমাজিৰ কছাৰী ময়দানত আত্মনিৰ্ভৰ ধেমাজি শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আত্মনিৰ্ভৰ ধেমাজি জিলাখনৰ কৃষি, পশুপালন, মৎস্যপালন, ৰেচম শিল্প আদিৰ সৈতে জড়িত কৃষক, মহিলা আৰু উদ্যোগী যুৱক-যুৱতীৰ বিশেষ মঞ্চ। এই কাৰ্যসূচীত কৃষক সমাৰোহ, কৃষি বাণিজ্য মেলা, আত্মসহায়ক গোটৰ মেলা, বিভিন্ন বিষয়ৰ আলোচনা সত্ৰ আৰু প্ৰযুক্তি প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ফটো প্ৰদৰ্শনী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে।

০০০০০০০

বৰপেটা ৰোড আৰক্ষী থানাৰ অন্তৰ্গত কলহভাঙাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ১০ জন লোক আহত হয়। আৰক্ষীয়ে জনোৱা মতে চাৰিচকীয়া এখন মালবাহী বাহনে প্ৰথমে দুখন ই-ৰিক্সাত আৰু পাছত এখন মটৰচাইকেল আৰু আন এখন ই-ৰিক্সাত খুন্দা মৰাৰ ফলত ই-ৰিক্সাৰ যাত্ৰী আৰু মটৰচাইকেলৰ চালকজন আহত হয়। অঞ্চলটোৰ লোকে তৎপৰতাৰে আহতসকলক বৰপেটা ৰোডৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইয়াৰে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত তিনিজন লোকক উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত অহা ১০ জানুৱাৰীৰ নিশা ৮ বাজি ২ মিনিটত 'মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত' শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**